# প্রথম অধ্যায়

# শঙ্কৰদেৱৰ জীৱন আৰু সাহিত্যকৃতি

## ১.০.০ শঙ্কৰদেৱৰ জীৱনৰ এটি চমু পৰিচয় ঃ

অসমৰ ধৰ্মীয়, সাংস্কৃতিক, বৌদ্ধিক জগতত সৰ্বাধিক চৰ্চিত ব্যক্তি গৰাকী হ'ল শঙ্কৰদেৱ। অসমীয়া জাতীয় জীৱনক নতুন গতি আৰু মাত্ৰা প্ৰদান কৰাত শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্বৰ ভিতৰতে ব্যতিক্ৰমী পুৰুষ। "জ্ঞান, বুদ্ধি, মেধা আৰু প্ৰতিভাৰ সংযোগত শঙ্কৰদেৱৰ আছিল অতুলনীয় ব্যক্তিত্ব। ব্যক্তিত্বৰ চমকনিত তেওঁ সৰ্বসাধাৰণৰ বাবে পৰিণত হৈছিল এজন বিস্ময়কৰভাৱে নমস্য বিশেষ পুৰুষলৈ। শঙ্কৰদেৱৰ মাজত অভিনৱ আৰু অভূতপূৰ্ব গুণৰ সমাৱেশ দেখি উচিতভাৱেই তেওঁক বুলিবলৈ লোৱা হৈছিল মহাপুৰুষ।"[১] প্ৰজ্ঞা আৰু প্ৰতিভাৰে সমুজ্বল শঙ্কৰদেৱে অসমীয়া জাতিসত্ত্বাক এনেদৰে গঢ়ি তুলিছিল যে যোৱা প্ৰায় চাৰে পাঁচশ বছৰ শঙ্কৰদেৱ নিৰ্দেৰ্শিত পথেৰেই অসমীয়া সমাজ আৰু সংস্কৃতিয়ে গতি কৰি আহিছে। সেই সময়ৰ অস্থিৰ সমাজ, ৰাজনৈতিক, ধৰ্মীয় বাতাবৰণে সাহিত্য চৰ্চাৰ বাবে অনুকূল পৰিৱেশ ৰচনা কৰা নাছিল; কিন্তু শঙ্কৰদেৱৰ বিশেষত্ব এইখিনিতে যে সকলো ধৰণৰ প্ৰতিকূলতাক প্ৰতিহত কৰি শঙ্কৰদেৱে সাহিত্য চৰ্চা কৰিছিল। ৰাজনৈতিক অস্থিৰতা, ধৰ্মীয় বিশৃংখলা, বানপানী, উঁই, বনজুইৰ দৰে প্ৰাকৃতিক দুৰ্যোগে জুৰুলা কৰা সত্ত্বেও শঙ্কৰদেৱে সাহিত্য সাধনা কৰিছিল। সাঁচিপাতত সাহিত্য ৰচনা কৰা শঙ্কৰদেৱৰ বাবে প্ৰয়োজনীয় সাঁচিপাতৰ যোগাৰ আৰু উপযুক্ত ধৰণেৰে সংৰক্ষণ এক সমস্যা হৈ পৰিছিল। সাহিত্যৰ জৰিয়তে ধৰ্মৰ আদৰ্শ প্ৰচাৰৰ মহৎ উদ্দেশ্য লৈ সমাজক সুশৃংখলিত কৰাৰ প্ৰয়াস কৰিছিল শঙ্কৰদেৱে। তেওঁৰ ধৰ্ম আৰু সাহিত্য পৰস্পৰ পৰিপূৰক আছিল। জটিল সন্ধিক্ষণত অসমীয়া জাতীয় জীৱনক সঠিক মাৰ্গ দৰ্শন কৰাওঁতা শঙ্কৰদেৱৰ আৰ্বিভাৱ আক্ষৰিক অৰ্থতেই এক যুগান্তকাৰী ঘটনা। নিঃসন্দেহে, "জ্ঞানৰ সমুদ্ৰ সদৃশ বিশালতা, অন্তদৃষ্টিৰ গভীৰতা, অতুলনীয় বহুমুখী সৃষ্টিশীল প্ৰতিভাৰ অসামান্যতা, অসম-কামৰূপ-বেহাৰ মধ্যযুগৰ এই তিনিওখন ৰাজ্যত অকলশৰীয়াকৈ আধ্যাত্মিক, বৌদ্ধিক, ভাষিক,

১ কৰবী ডেকা হাজৰিকা, *মাধৱদেৱ সাহিত্য কলা আৰু দৰ্শন*, পৃ.১

সামাজিক, সাংস্কৃতিক আৰু সাহিত্যিক নৱ-জাগৰণৰ সৃষ্টি কৰোঁতা”[২] সৰ্বগুণাকৰ শঙ্কৰদেৱ অসমীয়া জাতি-ভাষা-সংস্কৃতিৰ প্ৰাণ প্ৰতিষ্ঠাতা। শঙ্কৰদেৱৰ জীৱনৰ প্ৰসঙ্গত উল্লেখযোগ্য কথা হ'ল - শঙ্কৰদেৱৰ মৃত্যুৰ সময় সম্পৰ্কত দ্বিমত নাথাকিলেও বুৰঞ্জীবিদসকলৰ মাজত শঙ্কৰদেৱৰ জন্মৰ সময় সম্পৰ্কত মতদ্বৈধতা আছে। শঙ্কৰদেৱৰ জীৱন সম্পৰ্কে দুটা দিশত আলোচনা হোৱা দেখা যায় - চৰিত পুথিৰ উল্লেখমতে আৰু সাহিত্যৰ বুৰঞ্জী প্ৰণেতাসকলৰ উল্লেখ মতে।

জীৱনৰ দ্বিতীয়খন কাব্যগ্ৰন্থ ‘ৰুক্মিণীহৰণ’ত শঙ্কৰদেৱে আত্মপৰিচয় দিছিল এনেদৰে -

টেম্বুৱানি বান্ধে          বৈসাইলা প্ৰবন্ধে
বৰদোৱা নামে গ্ৰাম।
দুৰ্ল্লভ নাৰায়ণে          যাক বাহু মানে
দিলা দেৱীদাস নাম।।
তাহানে সন্ততি          মহা ধৰ্ম্মমতি
ৰাজধৰ নাম যাৰ।
তাৰে গৰ্ভেশ্বৰ          ভৈলা সূৰ্য্যবৰ
কায়স্থ কুল উদ্ধাৰ।। ৫৩০

তাহানে সন্ততি          আতি শিশুমতি
শঙ্কৰে ভনে পয়াৰ।
পণ্ডিত লোকক          কৰযোৰ কৰো
ক্ষমিবা দোষ আমাৰ।।

(ৰুক্মিণী হৰণ, ৫৩২)

ৰুক্মিণীহৰণৰ এই আত্মপৰিচয়ে শঙ্কৰদেৱৰ বৰদোৱা নামে ঠাইত কুসুম্বৰৰ সন্তান হিচাপে জন্ম হোৱাৰ সাক্ষ্য দাঙি ধৰে। অৱশ্যে শঙ্কৰদেৱৰ জন্ম স্থান সম্পৰ্কে বৰ্তমানেও বাদানুবাদ চলি থকা দেখা

২ নগেন শইকীয়া, *বিষয় ঃ শংকৰদেৱ,* পৃ. ৫

যায়। শঙ্কৰদেৱে পিতা আৰু জন্মৰ ঠাই উল্লেখ কৰিলেও পৰৱৰ্তী চৰিতকাৰসকলে শঙ্কৰদেৱৰ 'সময়' সম্পৰ্কে নিজা ধৰণেৰে মত আগবঢ়াবলৈ ধৰিলে। "শঙ্কৰ-মাধৱৰ জন্ম চন সম্পৰ্কে আদিকালৰ চৰিতকাৰ দৈতাৰি - ভূষণ - ৰামানন্দ আৰু বৈকুণ্ঠ দ্বিজ নিমাত। দ্বিতীয় পৰ্যায়ৰ গুৰু-চৰিত কথা, বৰদোৱা চৰিত প্ৰমুখ্যে ভালেমান গদ্য পদ্য চৰিতত শঙ্কৰ-মাধৱৰ জন্ম-প্ৰয়াণ কালৰ উল্লেখ আছে।"[৩] ধৰ্মীয় সীমাৰ পৰা আঁতৰাই শঙ্কৰদেৱৰ নতুন নতুন দিশৰ সৈতে পৰিচয় কৰোৱা লক্ষ্মীনাথ বেজবৰুৱাই "*শ্ৰীশ্ৰী শঙ্কৰদেৱ*" গ্ৰন্থৰ দ্বিতীয় আধ্যায়ত "১৩৭১ শকত শঙ্কৰদেৱৰ জন্ম হয়। সেই সময়ত চুনেফা স্বৰ্গদেউ অসমৰ ৰাজসিংহাসনত আছিল। শঙ্কৰৰ বাপেকৰ নাম কুসুম্বৰ ভূঞা, মাকৰ নাম সত্যসন্ধা। কুসুম্বৰ বিখ্যাত চণ্ডীবৰ ভূঞাৰ পৰিনাতি।"[৪]

দেৱেন্দ্ৰ নাথ বেজবৰুৱাই তেওঁৰ *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জীত* (নগেন শইকীয়াৰ ভূমিকা সম্বলিত) উল্লেখ কৰিছে, "আসাম বুৰঞ্জীত গেইট চাহাবে লেখিছে - He is said to have been born in 1449 and to have died in 1569 (A.D)"[৫] কিন্তু এডৱাৰ্ড গেইটৰ শঙ্কৰদেৱৰ জন্মৰ সন্দৰ্ভত মতৰ বিষয়ে বদন চন্দ্ৰ শইকীয়াৰ মত হ'ল - "শঙ্কৰদেৱৰ জন্মকাল ১৪৪৯ খ্ৰীষ্টাব্দৰূপে জনাজাত হ'লেও কোনো-কোনো পণ্ডিতে সেই বিষয়ত সন্দেহ প্ৰকাশ কৰিছে। ছাৰ এডৱাৰ্ড গেইটেই তেওঁৰ *History of Assam* গ্ৰন্থত শঙ্কৰদেৱৰ জন্ম শকটো ৩০/৪০ বছৰ পিছুৱাই আহিব বুলি সম্ভৱতঃ প্ৰথম সন্দেহ প্ৰকাশ কৰিছিল।"[৬]

শঙ্কৰদেৱক ৰাষ্ট্ৰীয় পৰ্যায়ত পৰিচিতি দিওঁতা মহেশ্বৰ নেওগে The Story of the Saint's Life (Sankardeva) নামৰ প্ৰবন্ধত উল্লেখ কৰিছে এইদৰে - "In the family of the Siromani or over-lord of Bhuyan triebs, who held their small principalities on both the banks of the Brahmaputra in the middle of the present day state of Assam, was born a beautiful child in October 1449 "[৭]

---

৩ বদন চন্দ্ৰ শইকীয়া, "শঙ্কৰদেৱৰ আৱিৰ্ভাৱকাল আৰু পৰমায়ু বিচাৰ", *কথা গুৱাহাটী*, পৃ. ৮

৪ সত্যকাম বৰঠাকুৰ আৰু অজয় কুমাৰ ভট্টাচাৰ্য (সম্পা.), *বেজবৰুৱা সমগ্ৰ*, পৃ.১০

৫ দেৱেন্দ্ৰ নাথ বেজবৰুৱা, *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী*, পৃ. ৭৯

৬ বদন চন্দ্ৰ শইকীয়া, পূৰ্বোল্লিখিত, পৃ. ৮

৭ Maheswar Neog, *Sankardeva*, P.6

একেটা প্ৰবন্ধৰে সামৰণিত শঙ্কৰদেৱৰ মৃত্যু সম্পৰ্কীয় মত প্ৰকাশ কৰিছে এনেদৰে -

His long and eventful career came to an end on Thursday, the 7th or the 21st Bhadra (September) 1490 Saka/A.D. 1569."[৮]

*অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্তত* সত্যেন্দ্ৰ নাথ শৰ্মাৰ শঙ্কৰদেৱৰ জন্ম সম্পৰ্কীয় ধাৰণা প্ৰকাশ পাইছে এনেদৰে - "১৩৭১ শক, ইংৰাজী ১৪৪৯ খৃষ্টাব্দত বৰ্তমান নগাঁও জিলাৰ বৰদোৱাত মহাপুৰুষ শঙ্কৰদেৱৰ জন্ম হয় বুলি অসমৰ বৈষ্ণৱ সকলৰ মাজত বিশ্বাস প্ৰচলিত হৈ আহিছে। অৱশ্যে এই জন্ম সম্পৰ্কে সন্দেহৰ অৱকাশ নোহোৱা নহয়।"[৯] সত্যেন্দ্ৰ নাথ শৰ্মাৰ শঙ্কৰদেৱৰ জন্ম সম্পৰ্কীয় এই তাৰিখকে সমৰ্থন যোগ্য বুলিব পাৰি।

এনেদৰে শঙ্কৰদেৱৰ জন্মৰ সময় সম্পৰ্কে বুৰঞ্জীকাৰ সকলৰ মাজত মতভিন্নতা থকা দেখা যায়। শঙ্কৰদেৱৰ ৰাম বিজয় নাটকৰ প্ৰসঙ্গৰে মৃত্যুৰ সময়কলৈ ১৫৬৯ চনলৈ সকলোৱেই সহমত পোষণ কৰা দেখা যায়। শঙ্কৰদেৱে অসমীয়া ধৰ্ম, সাহিত্য, সংস্কৃতিক নিজস্ব চিন্তাৰে সমৃদ্ধিশালী কৰি থৈ গ'ল। দৰাচলতে "শঙ্কৰদেৱে তেওঁৰ চিন্তা, তেওঁৰ কাব্যৰ ভাষাক সমগ্ৰ অসমীয়া জাতিৰ জাতীয় চিন্তা আৰু ভাষাত পৰিণত কৰি তেওঁ সৰ্বকালৰ, সকলো শতাব্দীৰ মহত্তম অসমীয়া ৰূপে প্ৰতিষ্ঠিত হ'ল।"[১০]

বহুমুখী প্ৰতিভাসম্পন্ন শঙ্কৰদেৱে কবি, সমাজ সংস্কাৰক, নাট্যকাৰ, অভিনেতা, সঙ্গীতজ্ঞ, ধৰ্ম প্ৰচাৰক হিচাপে অসমীয়া জাতিলৈ এনে অনবদ্য অৱদান আগবঢ়ালে যে অসমীয়াৰ মানসত শঙ্কৰদেৱ সাধাৰণ পুৰুষ নহৈ 'মহাপুৰুষ' হিচাপে পৰিগণিত হ'ল। নগেন শইকীয়াৰ মতে "শঙ্কৰদেৱৰ বাহিৰে আন কোনো সন্তৰ নামৰ আগত 'মহাপুৰুষ' এই অভিধাটি ব্যৱহৃত হোৱা নাই।"[১১] পৰৱৰ্তীসময়ত মহাপুৰুষ হিচাপে আখ্যায়িত শঙ্কৰদেৱ পিতৃ-মাতৃৰ অকাল বিয়োগৰ পিছত বুঢ়ীমাক খেৰসূতীৰ তত্ত্বাৱধানত ডাঙৰ হয়। অমিত বলশালী শঙ্কৰদেৱে গুৰু মহেন্দ্ৰ কন্দলিৰ টোলত অধ্যয়নৰ সময়তে

৮ Maheswar Neog. পূৰ্বোল্লিখিত, পৃ.২৮

৯ সত্যেন্দ্ৰ নাথ শৰ্মা, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃ.১৩৩

১০ চন্দ্ৰপ্ৰকাশ শইকীয়া, "শ্ৰীমন্ত শঙ্কৰদেৱৰ অসম", প্ৰদীপজ্যোতি মহন্তৰ (সম্পা.) *শ্ৰীমন্ত শঙ্কৰদেৱ ঃ সমাজ আৰু সংস্কৃতি*, পৃ.১৩৮

১১ নগেন শইকীয়া, পূৰ্বোল্লিখিত, পৃ.৯

নিজৰ পৰিচয় দি শঙ্কৰৰ পৰা 'শঙ্কৰদেৱ' হিচাপে পৰিচিতি লাভ কৰিলে। 'কৰতল কমলৰ' পৰা 'গুণমালা'লৈ এই সময়ছোৱাত শঙ্কৰদেৱৰ সাহিত্য প্ৰতিভাই ব্যাপ্তি আৰু গভীৰতা লাভ কৰিছিল। ডেকাগিৰীৰ বিষয়বাব গ্ৰহণ কৰি সূৰ্য্যৱতীক বিয়া কৰাই মনুৰ জন্মৰে সাংসাৰিক ব্যস্ততাত কাল কটালেও সূৰ্য্যৱতীৰ মৃত্যু, মনুক হৰিজোঁৱাইক অৰ্পণেৰে সংসাৰ দায়িত্বৰ পৰা একপ্ৰকাৰৰ মুকলি হৈ জ্যেষ্ঠজনৰ সৈতে সুদীৰ্ঘকালৰ বাবে তীৰ্থভ্ৰমণলৈ ওলাই গৈছিল। তীৰ্থ ভ্ৰমণৰ অভিজ্ঞতাৰে পুৰঠ শঙ্কৰদেৱে থলুৱা লোকৰ উপযোগীকৈ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰত আত্মনিয়োগ কৰে। শঙ্কৰদেৱৰ জীৱনত মাধৱদেৱৰ সংযোজনেই অসমৰ ধৰ্ম সাহিত্যৰ ক্ষেত্ৰত যুগান্তকাৰী ঘটনা। লক্ষ্মীনাথ বেজবৰুৱাই 'মণি-কাঞ্চন সংযোগ' বুলি অভিহিত কৰা এই 'বাপ আৰু বৰাৰ পো' সম্পৰ্কই অসমৰ সাহিত্য সংস্কৃতি, ধৰ্ম সকলোকে সমৃদ্ধিশালী কৰি তুলিলে। প্ৰথম তীৰ্থভ্ৰমণৰ অন্তত আইতাক খেৰসূতীৰ লগতে পৰিয়ালৰ জ্যেষ্ঠজনৰ দিহামতে চৌৱন্ন বছৰ বয়সত কালিন্দীক দ্বিতীয় বিবাহ কৰায়। ৰামানন্দ, কমললোচন আৰু হৰিচৰণ নামেৰে তিনিজন পুত্ৰৰ উপৰি ৰুক্মিণী নামৰ এগৰাকী কন্যা সন্তানৰো পিতৃ হয়। কমললোচন আৰু ৰুক্মিণীৰ কম বয়সতে মৃত্যু হয়।

শঙ্কৰদেৱে নিৰলসভাৱে সাহিত্য চৰ্চাই যে কৰিছিল এনে নহয়; বৰং ধৰ্ম প্ৰচাৰক হিচাপে সমাজ সংস্কাৰক, মানৱতাবাদী, নামঘৰৰ স্ৰষ্টা হিচাপে শঙ্কৰদেৱৰ প্ৰতিভাৰ বহুমুখী দিশৰ উমান পোৱা যায়। এনেদৰে শাৰীৰিক সুঅভ্যাস, মানসিক প্ৰশান্তিৰ কচৰৎৰ বিনিময়ত এটা সুদীৰ্ঘ জীৱন যাপন কৰাৰ অন্তত মাধৱদেৱক উত্তৰাধিকাৰী হিচাপে দায়িত্ব হস্তান্তৰ কৰি ১৫৬৯ চনত কোচবেহাৰত শঙ্কৰদেৱৰ মৃত্যু হয়।

### ১.১.০ শঙ্কৰদেৱৰ সমকাল আৰু সমকালীন সমাজ ঃ

"শঙ্কৰদেৱৰ আৱিৰ্ভাৱৰ সময়ছোৱা সমগ্ৰ ভাৰতৰে ধৰ্মীয় আৰু সামাজিক ছাঁ-পোহৰেৰে ভৰা সংঘাতৰ কাল। খ্ৰীষ্টিয় পঞ্চদশ শতিকাৰ আশে-পাশে ভাৰতবৰ্ষত অনুভূত হৈছিল এক ধৰ্মীয় আৰু সমাজ সংস্কাৰৰ।"[১২] সেইসময়ত ধৰ্মীয় বিশৃংখলতাই সমাজ জীৱন অস্থিৰ কৰি তুলিছিল। ধৰ্ম আৰু

১২ কৰবী ডেকা হাজৰিকা, পূৰ্বোল্লিখিত, পৃ.১

সমাজৰ নিকট সম্পৰ্ক থকা সেই সময়খিনিত হিন্দু ধৰ্মৰে বৈষ্ণৱ, শাক্ত, শৈৱ, গাণপত্য আদি ধাৰাই শাখা প্ৰশাখা মেলিছিল। লগতে সাধাৰণ মানুহৰ মাজত সংস্কৃতৰ চৰ্চা কমি যোৱা বাবে শাস্ত্ৰৰ অৰ্থ বিকৃত হৈ পৰিল আৰু কৰ্ম-কাণ্ডৰ ওপৰত গুৰুত্ব বাঢ়িবলৈ ধৰিলে। সাধাৰণ হিন্দু সকল হিন্দু ধৰ্মক লৈ দিশহাৰা হৈ থকাৰ সময়তে কিছু সংখ্যক ইছলাম ধৰ্মতো দীক্ষিত হোৱা দেখিবলৈ পোৱা গ'ল। বৌদ্ধধৰ্মৰ বজ্ৰযান শাখাৰ তান্ত্ৰিকতায়ো মানুহক আকৰ্ষণ কৰিছিল। পশুবলি, নৰবলি (ভোগী)ৰ নিচিনা কথা উপাসনাৰ লগত জড়িত হ'বলৈ ধৰিলে। বাস্তৱিকতেই, পঞ্চদশ শতিকাত অসমৰ সমাজ, ধৰ্ম, নৈতিকতা, ঈশ্বৰ বিশ্বাস আদি ধাৰণাত সাধাৰণ মানুহৰ মাজত কেৱল বিশৃংখলতাইহে দেখা দিছিল। সেই জটিল, দ্বন্দ্ব মুখৰ সময়ত জন্ম লাভ কৰি শঙ্কৰদেৱে যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছিল। ধৰ্মৰ দৰে অমূৰ্ত ধাৰণাক, চহা, নিৰক্ষৰ, সাধাৰণজনৰ আয়ত্বৰ বিষয় কৰি তোলাটোও সাধাৰণ কথা নাছিল। প্ৰাত্যহিকতাৰ পৰা আঁতৰি আহি ধৰ্মীয় আচৰণ কৰা বিলাসিতাহে আছিল আৰু সেই বিলাসিতা কৰাটো কাৰোৰে পক্ষে সম্ভৱ নাছিল। গতিকে পৰম্পৰাগত বিশ্বাস, ধাৰণাৰ পৰা সেই সহজ বিশ্বাসীসকলক আঁতৰাই অন্য এটা বিশ্বাসেৰে বিশ্বাসী কৰি তোলাৰ ক্ষেত্ৰতো শঙ্কৰদেৱে অসাধ্য সাধন কৰিছিল বুলিব পাৰি। নাট, কাব্য, গীত (বৰগীত), কীৰ্তনেৰে ওচৰ চাপিব বিচৰা সেইসকলক সম্বোধন কৰিছিল সামাজিক, সভাসদ, সাধুজন বুলি। এনে সম্বোধনেৰে তেওঁলোকৰ লগত হৃদ্যতা স্থাপন কৰি ধৰ্ম সাধনাৰ বাবে সাহিত্যক মাধ্যম হিচাপে লৈছিল। এনেক্ষেত্ৰত পৰম্পৰাগত ধ্যান ধাৰণাৰ বিপৰীতে সকলো স্তৰৰ সকলো মানুহকে সমমৰ্যাদাৰে এখন নতুন জগতৰ সন্ধান দিছিল শঙ্কৰদেৱে। জাতি-ভেদ হীন সেই সমাজত এজন দেৱতাৰ (বিষ্ণু বা কৃষ্ণ) উপাসনাত কোনো ধৰণৰ চাকচিক্য, জাকজমকতাৰ প্ৰয়োজন নাছিল। অন্তৰাত্মাৰ শুদ্ধিৰে, বিষ্ণুক উপাসনা কৰা এই নৱবৈষ্ণৱ ধৰ্মই সাধনাৰ পথৰ সৰলতাৰ বাবে দ্ৰুতগতিত সকলোৰে বাবে গ্ৰহণীয় হৈ পৰিল আৰু ভক্তিক গুৰুত্ব দিবলৈ ধৰিলে। পঞ্চদশ শতাব্দীত অসমৰ প্ৰেক্ষাপটত শঙ্কৰদেৱে মহাভাৰত তথা গীতাৰ কৃষ্ণতকৈ ভাগৱত পুৰাণ, হৰিবংশ আৰু বিষ্ণু পুৰাণত বৰ্ণিত গোপাল, শত্ৰুহন্তা, কৃষ্ণকহে বিষয়, আধাৰ হিচাপে লৈ সাহিত্যৰ মাধ্যমেদি ধৰ্ম প্ৰচাৰ কৰিবলৈ ধৰিলে। কাহিনীৰ বিশ্বাসযোগ্যতা, চৰিত্ৰৰ স্থানীয় ৰহণ, ভাষাৰ সৰলতা, গীতিমাধুৰ্যই শঙ্কৰদেৱৰ কৃষ্ণকেন্দ্ৰিক কাব্য, নাট, বৰগীতবোৰক ব্যাপক হাৰত সাধাৰণজনৰ ওচৰ চপাই নিলে। চকুৰ আগৰ কৃষ্ণজনেই পৰম পুৰুষ ভগৱান, যাক আৰাধনা কৰিবৰ বাবে পবিত্ৰ অন্তৰৰ বাহিৰে একোৰেই নালাগে

- এনেধৰণৰ সহজ বিশ্বাসৰ বাবেই শঙ্কৰদেৱে সমকালৰ সকলোবোৰ প্ৰত্যাহ্বান নেওচি নৱবৈষ্ণৱ ধৰ্মৰ আদৰ্শ প্ৰচাৰ কৰিবলৈ সক্ষম হ'ল। অসমত নতুন ধৰ্ম, সমাজ, সাহিত্য-সংস্কৃতিৰ এনেদৰেই শঙ্কৰদেৱে ভেটি নিৰ্মাণ কৰিলে। "Sankaradeva is a great medieval saint of Assam whose manifold contribution to the society not only placed his community on a sound cultural footing but also helped to a great extent in giving a characteristic stamp and ethos to the Assamese life and society."[১৩]

## ১.২.০ শঙ্কৰদেৱৰ সাহিত্যৰ বৈশিষ্ট্য ঃ

শঙ্কৰদেৱে ধৰ্ম আৰু সাহিত্যক পৰিপূৰক হিচাপে গ্ৰহণ কৰিছিল, সেয়ে ধৰ্ম আৰু সাহিত্যৰ সম্পৰ্ক একেবাৰে এৰাব নোৱাৰা বিধৰ আছিল। শঙ্কৰদেৱে সমকালত অৱস্থান কৰি সৰ্বকালৰ বাবে উপযোগী হোৱাকৈ সাহিত্য চৰ্চা কৰিছিল। ধৰ্ম প্ৰচাৰৰ দৰে নিৰ্দিষ্ট আৰু জটিল উদ্দেশ্য আগত ৰাখি সাহিত্য চৰ্চাৰ দৰে সূক্ষ্মতম কলাৰ কলাগুণ খৰ্ব হ'বলৈ নিদিয়াকে ৰখাটো শঙ্কৰদেৱৰ বিশেষ কৃতিত্ব। শঙ্কৰদেৱেই যিহেতু অসমৰ নৱ-বৈষ্ণৱ যুগৰ মধ্যমনি আছিল সেয়ে নৱ-বৈষ্ণৱ সাহিত্যৰ বৈশিষ্ট্য বিচাৰ আৰু শঙ্কৰদেৱৰ সাহিত্যৰ বৈশিষ্ট্য বিচাৰৰ বিশেষ পাৰ্থক্য নাই বুলিব পাৰি। শঙ্কৰদেৱৰ সাহিত্যৰ বৈশিষ্ট্যসমূহ এনেদৰে উল্লেখ কৰিব পাৰি -

- শঙ্কৰদেৱৰ সাহিত্য ভাগৱত পুৰাণ আধাৰিত। তথাপিও শঙ্কৰদেৱে নৱবৈষ্ণৱ ধৰ্মৰ উদ্দেশ্য ৰক্ষিত হৈ থকা অংশখিনি গ্ৰহণৰ ক্ষেত্ৰতহে বিশেষ গুৰুত্ব দিছিল। তেওঁ মূলৰ সকলো আখ্যান হুবহু নাৰাখি নতুনকৈ সংযোজন, সংবৰ্দ্ধন, বিয়োজন কৰি লৈছিল। মূলৰ আনুগত্য স্বীকাৰ কৰিও শঙ্কৰদেৱে সাহিত্য চৰ্চাত মৌলিকত্বৰ পৰিচয় দাঙি ধৰিব পাৰিছে।

- শঙ্কৰদেৱৰ সাহিত্য অনুবাদমূলক। ভাগৱত, পুৰাণ আদি গ্ৰন্থবোৰ সংস্কৃত ভাষাত ৰচিত হৈছিল। শঙ্কৰদেৱৰ সময়ত সাধাৰণজন সংস্কৃত জানিব পৰাকৈ বৌদ্ধিকভাৱে বিচক্ষণ নাছিল। সেয়ে তেনে শ্ৰেণীলোকৰ সহজবোধ্য হ'বৰ বাবে সংস্কৃততকৈ বেলেগ ভাষাৰ প্ৰয়োজন হৈছিল। এনে প্ৰয়োজনীয়তাতে

১৩ S.N. Sarma, "Sankardeva : An Introduction", Ranjit kumar Dev goswami's(ed.) *Essays on Sankardeva*, p.5

শঙ্কৰদেৱে মূলৰ পৰা অসমীয়ালৈ অনুবাদ কৰিছিল আৰু সংস্কৃতৰ অনূদিত ৰূপ অসমীয়া পাঠকৰ ওচৰ চপাই নিছিল।

- শঙ্কৰদেৱৰ সমগ্ৰ ৰচনা উদ্দেশ্যধৰ্মী। কৃষ্ণ-বিষ্ণুৰ চৰিত্ৰক আধাৰ হিচাপে লোৱাৰ প্ৰধান কাৰণটোৱেই হ'ল ভক্তিৰ মহিমা প্ৰকাশ। কৃষ্ণ চৰিত্ৰৰ বিভিন্ন ৰূপৰ বৰ্ণনাৰ মুখ্য উদ্দেশ্য আছিল কৃষ্ণৰ বিভিন্ন লীলাৰ বৰ্ণনাৰে ভক্ত সমাজৰ (পাঠক/দৰ্শক) মাজত ভক্তিৰ মাহাত্ম্য প্ৰচাৰ কৰা।

- শঙ্কৰদেৱৰ সাহিত্যত একোটা কাহিনীৰ প্ৰকাশ ঘটা দেখা যায়, যাৰ ফলত ৰচনাসমূহৰ জনপ্ৰিয়তা বৃদ্ধি পায়। বিশেষকৈ শঙ্কৰদেৱৰ নাট আৰু কাব্য কেইখনত একো একোটা কাহিনীৰ মাজেৰে ৰচকে তেওঁৰ ভাৱ ব্যক্ত কৰা দেখা যায়।

- শঙ্কৰদেৱৰ সাহিত্যৰ কেন্দ্ৰীয় চৰিত্ৰই হ'ল কৃষ্ণ। নৱবৈষ্ণৱ ধৰ্মৰ আদৰ্শ প্ৰচাৰৰ উদ্দেশ্যেই শঙ্কৰদেৱে তেওঁৰ ৰচনাত ভাগৱত, পুৰাণ, হৰিবংশ চিত্ৰিত কৃষ্ণকহে আদৰ্শ কৃষ্ণ চৰিত্ৰ হিচাপে নিৰ্বাচন কৰিছে।

- শঙ্কৰদেৱৰ সাহিত্যত লোক সাংস্কৃতিক সমলৰ বৈভৱ আৰু সৌন্দৰ্যৰ প্ৰকাশ ঘটা দেখা যায়। সংস্কৃতৰ পৰা অনূদিত সাহিত্যত স্বাদ বিচাৰি নাপাব বুলিয়েই শঙ্কৰদেৱে সাধাৰণজনৰ ওচৰ পাবৰ বাবে ৰচনাত স্থানীয় ৰহণ দিছিল। থলুৱা প্ৰকৃতিৰ, জীৱনৰ চিত্ৰণে পাঠকক বিষয়ৰ সৈতে একাত্মতা অনুভৱ কৰাইছিল; যাৰ বাবে শঙ্কৰদেৱৰ সাহিত্যই পাঠকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

- ব্ৰজাৱলী ভাষাৰ ব্যৱহাৰ শঙ্কৰদেৱৰ সাহিত্যৰ আন এটা বৈশিষ্ট্য। শঙ্কৰদেৱৰ সময়ত অসমৰ পৰিস্থিতিত সংস্কৃত বা সংস্কৃতৰ সমান দুৰূঢ় নোহোৱা, কথিত অসমীয়াৰ সমান ঋজু নোহোৱা এটা কৃত্ৰিম সাহিত্যিক ভাষা- ব্ৰজাৱলীৰ সৃষ্টি কৰি ল'লে।

## ১.৩.০ শঙ্কৰদেৱৰ ৰচনাৰাজি ঃ

ধৰ্ম প্ৰচাৰৰ দৰে আদৰ্শ আগত ৰাখি শঙ্কৰদেৱে সাহিত্য চৰ্চা কৰিছিল যদিও কোনো ৰচনাতে কলাগুণ খৰ্ব হোৱা নাছিল।

মহেশ্বৰ নেওগে *অসমীয়া সাহিত্যৰ ৰূপৰেখাত* শঙ্কৰদেৱৰ ৰচনাৰাজিক বাহ্য আৰু অন্তৰঙ্গ প্ৰমাণৰ ভিত্তিত সৃষ্টিৰ সময় অনুক্ৰমে ভাগ কৰিছে। "আদি ভাগৰ ৰচনাৱলীত ডেকা কালৰ চঞ্চল, উদ্দাম মনৰ আভাস পোৱা যায় আৰু জটুৱা ঠাঁচ আৰু ঘৰুৱা ভাষাৰ প্ৰভাৱো বহল ধৰণৰ; কিন্তু পিছৰ বয়সৰ

ৰচনাত এই দুয়োটা লক্ষণ কমি অহা দেখা যায়।”[১৪] *অসমীয়া সাহিত্যৰ ৰূপৰেখাত* ছাব্বিশখন গ্ৰন্থৰ নাম উল্লেখেৰে মহেশ্বৰ নেওগে শঙ্কৰদেৱৰ সাহিত্যক আদি বা বাৰভূএগ্ৰা ৰাজ্যত কটোৱা কাল, মধ্য বা অসম ৰাজ্যত কটোৱা কাল আৰু শেষ বা কোঁচ ৰাজ্যত কটোৱা কালৰ আধাৰত তিনিটা ভাগত ভাগ কৰি সাহিত্য ৰচনা ক্ৰম অনুসৰি সাহিত্যক শ্ৰেণীবিভাজন কৰিছে এনেদৰে -

(১) আদি বা বাৰভূএগ্ৰা ৰাজ্যত কটোৱা কাল - তাৰুণ্যৰ চপলতা আৰু সমৃদ্ধি ভৰা কাল (১৪৩৮ শকলৈকে বিস্তৃত) -

(ক) ভাগৱতৰ বাহিৰৰ কাহিনী - হৰিশ্চন্দ্ৰ-উপাখ্যান (মাৰ্কণ্ডেয়-পুৰাণ), ভক্তি-প্ৰদীপ (গৰুড়-পুৰাণ), কীৰ্তন-ঘোষাৰ উৰেষা-বৰ্ণন (ব্ৰহ্ম-পুৰাণ)।

(খ) ভাগৱতৰ বাহিৰৰ কাহিনীৰ লগত সংমিশ্ৰিত ভাগৱত কাহিনী, কিন্তু শ্ৰীধৰী টীকাৰ প্ৰভাৱৰপৰা মুক্ত - ৰুক্মিণী-হৰণ কাব্য (হৰিবংশ)।

(গ) গীত - প্ৰথম বৰগীত ‘মন মেৰি ৰাম-চৰণহি লাগু’।

(ঘ) দশম স্কন্ধৰ বাহিৰৰ ভাগৱতৰ কথাৰে প্ৰথম থূল - ষষ্ঠ স্কন্ধ বা অজামিল-উপাখ্যান, অষ্টম স্কন্ধ বা গজেন্দ্ৰোপাখ্যান আৰু অমৃত-মথন (কীৰ্তন-ঘোষাৰ ‘হৰ-মোহনে’ সৈতে), কীৰ্তন-ঘোষাৰ অজামিল-উপাখ্যান (ষষ্ঠ স্কন্ধ), প্ৰাদ-চৰিত্ৰ (তৃতীয়, সপ্তম স্কন্ধ), হৰ-মোহন, বলি-ছলন, গজেন্দ্ৰোপাখ্যান (অষ্টম স্কন্ধ), চতুৰ্বিংশতি অৱতাৰ-বৰ্ণন, ধ্যান-বৰ্ণন।

(ঙ) গুণমালা, দ্বিতীয় অধ্যায়।

(২) মধ্য বা অসম-ৰাজ্যত কটোৱা কাল - অশান্তি, বিৰোধ, আত্মসমালোচনা আৰু শেহান্তৰত অগ্ৰসৰৰ কাল (১৪৩৮ শকৰ পৰা ১৪৬৫ শকমানলৈকে) -

(ক) ভক্তি-বিৰোধী-দলন যুক্তি - কীৰ্তন-ঘোষাৰ পাষণ্ড-মৰ্দন, নাম-অপৰাধ (ভাগৱত, পদ্ম, বিষ্ণুধৰ্মোত্তৰ, বৃহন্নাৰদীয়-পুৰাণ আৰু সুত-সংহিতা), পত্নী-প্ৰসাদ নাট (ভাগৱতৰ দশম স্কন্ধ)।

(খ) ভাগৱতৰ দশম স্কন্ধৰ পূৰ্বাৰ্ধৰ কৃষ্ণৰ শিশু-জীৱনৰ বৰ্ণনা - কীৰ্তন-ঘোষাৰ শিশু-লীলা, ৰাস-ক্ৰীড়া, কংস-বধ, গোপী-উদ্ধৱ-সংবাদ, কুঁজীৰ বাঞ্ছা-পূৰণ, অক্ৰুৰৰ বাঞ্ছা-পূৰণ।

১৪ মহেশ্বৰ নেওগ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, পৃ.১২

(৩) শেষ বা কোঁচ ৰাজ্যত কটোৱা কাল - অপেক্ষা-কৃত শান্তি, ভক্তি-আন্দোলনৰ সম্পূর্ণতা লাভ আৰু শঙ্কৰদেৱৰ পূর্ণতম মনোবিকাশৰ কাল (১৪৬৫ শক মানৰ পৰা ১৪৯০ শকলৈকে) -

(ক) দশম স্কন্ধৰ বাহিৰৰ ভাগৱত-কথাৰে দ্বিতীয় থূল - বলি-ছলন (অষ্টম স্কন্ধ); অনাদি-পাতন (তৃতীয় স্কন্ধ, বামন-পুৰাণ আৰু অন্যান্য কথাৰে লিখিত)।

(খ) ভাগৱতৰ দশম স্কন্ধৰ উত্তৰার্ধৰ আৰু একাদশ-দ্বাদশ স্কন্ধৰ কাহিনীৰ কীৰ্তন - কীৰ্তন-ঘোষাৰ জৰাসন্ধ-যুদ্ধ, কালযৱন-বধ, মুচুকুন্দ-স্তুতি, স্যামন্ত-হৰণ, নাৰদৰ কৃষ্ণ-দর্শন, বিপ্র-পুত্র-আনয়ন, দামোদৰ বিপ্রৰ আখ্যান, দৈৱকীৰ পুত্র-আনয়ন, বেদ-স্তুতি, লীলা-মালা, ৰুক্মিণীৰ প্রেম-কলহ, ভৃগু-পৰীক্ষা (দশম স্কন্ধ; সেই দুই খণ্ড বর্তমানে কীৰ্তন-ঘোষাৰ বহিস্কৃত; অনন্ত কন্দলিৰ মধ্য, শেষ দশম ৰচনাৰ আগতে সকলো ৰচিত হৈ কন্দলিক প্রভাৱিত কৰিছে), (তিনিটা উপখণ্ডৰে, তৃতীয় স্কন্ধৰ সংযোগেৰে) শ্রীকৃষ্ণৰ বৈকুণ্ঠ প্রয়াণ, ভাগৱতৰ তাৎপর্য।

(গ) বহুলভাৱে ভাগৱতৰ স্কন্ধৰ তিনিটা ভাঙনি আৰু কাহিনী - দশম স্কন্ধ, আদি, একাদশ স্কন্ধ, প্রথম স্কন্ধ, দ্বিতীয় স্কন্ধ, নৱম স্কন্ধ, কুৰুক্ষেত্র, নিমি-নৱসিদ্ধ সংবাদ, গুণমালা, প্রথম অধ্যায়।

(ঘ) ৰাম-কথা - ৰামায়ণ, উত্তৰ-কাণ্ড।

(ঙ) গীত - বৰগীত (সঙ্কলন), তোটয়, ভটিমা।

(চ) প্রকৰণ গ্রন্থ - ভক্তি ৰত্নাকৰ।

(ছ) নাট - কালি দমন, কেলি-গোপাল, ৰুক্মিণী-হৰণ, পাৰিজাত-হৰণ, ৰাম-বিজয়, অন্ত্য ৰচনা, ১৪৯০ শক।

সত্যেন্দ্র নাথ শৰ্মাই *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* ত শঙ্কৰদেৱৰ ৰচনাসমগ্ৰক ৬ টা নির্দিষ্ট ভাগত ভাগ কৰিছে এনেদৰে -

"(ক) কাব্য ঃ (১) হৰিশ্চন্দ্ৰ উপাখ্যান, (২) ৰুক্মিণী হৰণ কাব্য, (৩) বলি ছলন, (৪) অমৃত মথন, (৫) অজামিল উপাখ্যান আৰু (৬) কুৰুক্ষেত্ৰ।

(খ) ভক্তিতত্ত্ব প্রকাশক সংগ্রহ ঃ (১) ভক্তিপ্রদীপ, (২) ভক্তি ৰত্নাকৰ (সংস্কৃত) আৰু (৩) নিমি-নৱসিদ্ধ সংবাদ, (৪) অনাদিপতন।

(গ) অনুবাদমূলক ঃ (১) ভাগৱত ১ম, ২য়, ৬ষ্ঠ (অজামিল উপাখ্যান মাত্র), ৮ম (বলিছলন, অমৃত মথন), ১০ম, ১১শ, ১২শ স্কন্ধ আৰু (২) উত্তৰাকাণ্ড ৰামায়ণ।

(ঘ) অঙ্কীয়া নাট ঃ (১) পত্নীপ্রসাদ, (২) কালিয়দমন, (৩) কেলিগোপাল, (৪) ৰুক্মিণী হৰণ, (৫) পাৰিজাত হৰণ আৰু (৬) ৰামবিজয়।

(ঙ) গীত ঃ (১) বৰগীত, (২) ভটিমা, আৰু (৩) টোটয় আৰু চপয়।

(চ) নাম প্রসঙ্গ ঃ (১) কীর্তন আৰু (২) গুণমালা।"[১৫]

শঙ্কৰদেৱৰ সাহিত্যৰ মহেশ্বৰ নেওগৰ ৰচনাৰ ক্রম আৰু সত্যেন্দ্র নাথ শর্মাৰ বিষয়বস্তু অনুসৰি বিভাজনৰ বাহিৰেও বিভিন্ন আধাৰৰ এনেদৰে ভাগ কৰা দেখা যায় -

"(ক) ৰচনাক্রমৰ আধাৰত (খ) তত্ত্ব নিৰূপণৰ আধাৰত (গ) বন্ধৰ আধাৰত (ঘ) মৌলিকতাৰ আধাৰত আৰু (ঙ) ভাষা-প্রয়োগৰ আধাৰত।"[১৬]

শঙ্কৰদেৱৰ ৰচনাৰ প্রসঙ্গত উল্লেখনীয় কথাটো হ'ল - "হৰিশ্চন্দ্র উপাখ্যানেই মহাপুৰুষৰ প্রথম ৰচনা আৰু 'ৰামবিজয় নাট' শেষ ৰচনা"[১৭] বুলি সমালোচকৰ মাজত কোনো ধৰণৰ মত পার্থক্য নাই। কীর্তন সর্বাধিক জনপ্রিয় গ্রন্থ। কাব্যসমূহৰ ভিতৰত ৰুক্মিণী হৰণ সকলোৰে মাজত সমাদৃত।

এনেদৰে শঙ্কৰদেৱে সংখ্যাগত আৰু গুণগত দুয়োটা দিশতে অসমীয়া সাহিত্যক সমৃদ্ধ কৰি থৈ গৈছে। মূলতঃ কৃষ্ণ ভক্তিৰ মহিমা প্রচাৰৰে নৱবৈষ্ণৱ ধর্ম সাধাৰণজনৰ ওচৰলৈ মুখ্যতঃ শ্রৱণ-কীর্তনৰ মাধ্যমেৰে লৈ যোৱাটোৱেই শঙ্কৰদেৱৰ মুখ্য উদ্দেশ্য আছিল। "শঙ্কৰদেৱৰ দার্শনিক মতবাদ আছিল অদ্বৈতবাদৰ লগত ভক্তিবাদৰ সমন্বয়।"[১৮] এনে দর্শন আগত ৰাখি চহা লোকৰ মাজত নৱ-বৈষ্ণৱ আদর্শসমূহ প্রচলনৰ প্রসঙ্গত শঙ্কৰদেৱে ৰচনাসমূহৰ শ্রৱণযোগ্যতাৰ বাবে শ্রুতিমধুৰতা, সাঙ্গীতিক মাধুর্য আৰু স্মৰণযোগ্যতালৈ লক্ষ্য ৰাখিব লগা হৈছিল।

---

১৫ শ্রীসত্যেন্দ্রনাথ শর্মা, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃ.১৩৬

১৬ শিৱনাথ বর্মন (সম্পা.) *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (দ্বিতীয় খণ্ড), পৃ.১২৭

১৭ সত্যেন্দ্রনাথ শর্মা, পূর্বোল্লিখিত, পৃ.১৩৭

১৮ সত্যেন্দ্রনাথ শর্মা উল্লিখিত, পৃ.১৫১

### ১.৪.০ শঙ্কৰদেৱৰ কাব্য ঃ

সত্যেন্দ্ৰ নাথ শৰ্মাই শঙ্কৰদেৱৰ সাহিত্যৰ শ্ৰেণীবিভাজন কৰোতে কাব্য বুলি কৰা প্ৰথম ভাগটোত হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুক্মিণী হৰণ কাব্য, বলি ছলন, অমৃত মথন, অজামিল উপাখ্যান আৰু কুৰুক্ষেত্ৰ কাব্য বুলি এই ছখন গ্ৰন্থকহে অৰ্ন্তভুক্ত কৰিছে।

মহেশ্বৰ নেওগৰ শঙ্কৰদেৱৰ কাব্যৰ শ্ৰেণীবিভাজনৰ 'উপাখ্যান আৰু পদ-ভাঙনি' অংশত *হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুক্মিণী হৰণ*ৰ বাহিৰেও "ষষ্ঠ স্কন্ধ ভাগৱতৰ পৰা গৃহীত অজামিল-উপাখ্যান, অষ্টম স্কন্ধৰ পৰা গৃহীত গজেন্দ্ৰোপাখ্যান, অমৃত মথন আৰু বলি ছলন, দশমৰ কুৰুক্ষেত্ৰ পুথিও এই উপাখ্যান শ্ৰেণীৰ ভিতৰত পৰিব।" [১৯] বুলি উল্লেখ কৰিছে। অৱশ্যে ইয়াৰ লগতে মহেশ্বৰ নেওগে শঙ্কৰদেৱৰ উত্তৰাকাণ্ড আৰু ভাগৱতৰ পদ ভাঙনিৰ প্ৰসঙ্গত মন্তব্য কৰিছে যে "উত্তৰাকাণ্ডৰ ভাঙনিত শঙ্কৰদেৱে দীঘল কথা চমু কৰা চেষ্টা বিশেষভাৱে দেখা পোৱা যায়। মূলৰ কোনোটিতে অধ্যায় তেওঁ এটা বা দুটা পদতে শেষ কৰিছে।" [২০]

*কাব্যতত্ত্বৰ দৃষ্টিৰে শঙ্কৰদেৱৰ কাব্য নামৰ শঙ্কৰদেৱৰ কাব্য* বিষয়ক কেশদা মহন্তৰ গ্ৰন্থখনত *হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুক্মিণী হৰণ, অজামিল উপাখ্যান, অমৃত মথন, বলি ছলন আৰু কুৰুক্ষেত্ৰ* কাব্যক অন্য সমালোচকৰ দৰেই শঙ্কৰদেৱৰ কাব্য বুলি মানি লৈও মঙ্গলাচৰণেৰে আৰম্ভণি, সুস্পষ্ট আৰম্ভণি আৰু ৰচনাংশৰ নাম উল্লেখৰ বাবে (ৰাসক্ৰীড়া বা) কামজয়, গোপীউদ্ধৱ সংবাদ আৰু 'কৃষ্ণৰ প্ৰয়াণ, পাণ্ডৱ নিৰ্যাণ'কো স্বতন্ত্ৰ কাব্য হিচাপে ধৰি লৈ আলোচনা আগবঢ়াইছে।

"এইখনৰ নিচিনা সুললিত সুশ্ৰাবৰ আৰু পঢ়ি বা শুনি যাওঁতে মন মুহি থোৱা পুথি আৰু আসামত দ্বিতীয় নাই "[২১] এনেদৰে *ৰুক্মিণী হৰণ* কাব্যক বেজবৰুৱাই স্পষ্টভাৱে 'পুথি' বুলি উল্লেখ কৰি থৈ গৈছে। *ৰুক্মিণী হৰণ* কাব্য সন্দৰ্ভত বেজবৰুৱাৰ ধাৰণা হ'ল - "শঙ্কৰদেৱৰ ৰুক্মিণী হৰণ অসমীয়া মতা মানুহৰ কাণৰ লং-কেৰু হাতৰ গাম-খাৰু, আঙুলিৰ বাখৰ-পতোৱা আঙুঠি আৰু তিৰোতা

---

১৯ মহেশ্বৰ নেওগ - পূৰ্বোল্লিখিত, পৃ.৮৪

২০ মহেশ্বৰ নেওগ, পূৰ্বোল্লিখিত, পৃ.৮৪

২১ নগেন শইকীয়া, *বেজবৰুৱা ৰচনাৱলী*, পৃ. ১৩৪

মানুহৰ ডিঙিত কোট-মণি গলপতা আৰু সাতসৰী হাৰ। শঙ্কৰদেৱৰ সুমধুৰ ললিত ৰচনা আছে সিবোৰৰক ভিতৰত ৰুক্মিণী হৰণ শ্ৰেষ্ঠ।”[২২]

## ১.৫.০ শঙ্কৰদেৱৰ কাব্যসমূহৰ পৰিচয় ঃ

*হৰিশ্চন্দ্ৰ উপাখ্যান*ৰ পৰা *কুৰুক্ষেত্ৰ কাব্য*লৈকে শঙ্কৰদেৱৰ কাব্যসমূহে এফালে যেনেদৰে কাব্যগুণ ধৰি ৰাখিছিল অন্যফালে শঙ্কৰদেৱৰ নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ মহৎ উদ্দেশ্যও ৰক্ষিত হৈছিল। প্ৰথমৰ কাব্যসমূহত নিজৰ পৰিচয়েৰে ভণিতা পেলোৱা শঙ্কৰদেৱে জীৱনৰ শেষৰফালৰ কাব্য *কুৰুক্ষেত্ৰ কাব্য*ত নিজৰ নাম উল্লেখ নকৰি ‘কৃষ্ণৰ কিংকৰ’ বুলি কৰা উল্লেখে কবি শঙ্কৰৰ ‘প্ৰাপ্তবয়স্কতা’কে সূচায়। ভাগৱত, পুৰাণ, হৰিবংশ আধাৰিত বিষয়ক শঙ্কৰদেৱে নিজস্ব প্ৰতিভাৰে অসমৰ পটভূমিত অসমীয়া পাঠকৰ বাবে ৰচনা কৰিলে।

**হৰিশ্চন্দ্ৰ উপাখ্যান ঃ** শঙ্কৰদেৱৰ প্ৰথম কাব্য বুলি স্বীকৃত *হৰিশ্চন্দ্ৰ উপাখ্যান*ৰ মূল মাৰ্কণ্ডেয় পুৰাণৰ (৭-৯) অধ্যায়। ‘কথাগুৰু চৰিতৰ মতে *হৰিশ্চন্দ্ৰ উপাখ্যান*ৰ জৰিয়তেই শঙ্কৰদেৱে ভকতিৰ চাৰিখুঁটি প্ৰতিষ্ঠা কৰে।’[২৩] গণেশক পূজা কৰা, নকৰাৰ মূল কথাটিৰ পৰা ফালৰি কাটি হৰিশ্চন্দ্ৰ ৰজাই ৰাজসূয় যজ্ঞ কৰা, দান দক্ষিণা দিয়াৰ প্ৰসঙ্গেৰে কাব্যখনৰ সূচনা কৰিছে। কাব্যৰ নায়ক হৰিশ্চন্দ্ৰৰ ৰাজ্যচ্যুত, চাণ্ডালৰ জীৱন, পত্নী বিচ্ছেদ, পুত্ৰৰ মৃত্যুৰ বেদনা, পতি-পত্নী-পুত্ৰৰ পুনৰ মিলন, পুনৰ ৰাজ্যলাভ, প্ৰজাৰ সৈতে স্বৰ্গযাত্ৰা, একেবাৰে শেষত বক-শৰালি ৰূপে বিশ্বামিত্ৰ-বশিষ্ঠৰ যুদ্ধ আদি ঘটনাৰ সমষ্টিয়ে *হৰিশ্চন্দ্ৰ উপাখ্যান* কাব্যখন গঢ় লৈ উঠিছে। মূলতঃ অযোধ্যাৰ ৰজা হৰিশ্চন্দ্ৰ জীৱনৰ উত্থান-পতনৰ কাহিনী লৈ ৰচিত এই কাব্যখনত ৬১৮ টা পদ আছে।

**ৰুক্মিণী হৰণ কাব্য ঃ** শঙ্কৰদেৱৰ জীৱনৰ দ্বিতীয়খন কাব্য *ৰুক্মিণী হৰণ*ত শঙ্কৰদেৱৰ কবি প্ৰতিভাৰ স্ফুৰণ ঘটা দেখা যায়। কুণ্ডিল কুঁৱৰী ৰুক্মিণীয়ে সয়ম্বৰৰ প্ৰাক্ মুহূৰ্তত বেদনিধিৰ জৰিয়তে প্ৰেমাস্পদ কৃষ্ণলৈ প্ৰেম নিবেদন কৰি বতৰা পঠালে, কৃষ্ণও কুণ্ডিল পালেহি ককায়েক

---

২২ নগেন শইকীয়া, উল্লিখিত, পৃ.১৩৪

২৩ নবীন চন্দ্ৰ শৰ্মা, *মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ*, পৃ.৩৪

ৰুক্মবীৰৰ মনোমত বৰ শিশুপালৰ বাধা, জৰাসন্ধ আদি ৰজাসকলৰ সৈতে যুদ্ধত ৰুক্মবীৰৰ দুখলগা অথচ হাস্যকৰ বিপত্তি, শেষত অভিভাৱকৰ সন্মতি আৰু আশীৰ্বাদেৰে দ্বাৰকাত বিবাহ সম্পন্ন হয়। নায়িকাৰ নামেৰে নামকৰণ কৰা শঙ্কৰদেৱৰ একমাত্ৰ কাব্য *ৰুক্মিণী হৰণ*ৰ সমতুল্য দ্বিতীয়খন পুথি অসমত নাই বুলি লক্ষ্মীনাথ বেজবৰুৱাই মত পোষণ কৰিছে। ৭৯৫ টা পদত এই পুথিখন বৰ্ণিত হৈছে।

**অজামিল উপাখ্যান ঃ** ভাগৱত পুৰাণৰ ষষ্ঠ স্কন্ধৰ বিষয়বস্তুৰে *অজামিল উপাখ্যান* ৰচিত হৈছে - বিশেষকৈ ষষ্ঠ স্কন্ধৰ প্ৰথমৰ পৰা তৃতীয় অধ্যায়ৰ বিষয়বস্তুৰেই *অজামিল উপাখ্যান*ৰ বিষয়। চাৰিশ সাতাইশটা পদত ৰচনা কৰা অজামিল কাব্যৰ লগত শঙ্কৰদেৱৰ বাকীকেইখনৰ এটা বিশেষ পাৰ্থক্য পৰিলক্ষিত হয়। যিহেতু বাকীকেইখন কাব্যত বিষয়, ভাৱ, ৰূপ, ৰসৰ সৌন্দৰ্যৰে কাব্যসমূহ সৌন্দৰ্যমণ্ডিত হৈ আহিছে। সুন্দৰৰ বৰ্ণনাৰে সৌন্দৰ্য সৃষ্টি কৰা কাব্যসমূহৰ সাধাৰণ বৈশিষ্ট্যৰ বিপৰীতে *অজামিল উপাখ্যান* কাব্যত বৈপৰীত্যৰ বৰ্ণনাৰে সুন্দৰৰ প্ৰতি পাঠকক সজাগ কৰিছে। অৰ্থাৎ অজামিলৰ জীৱনৰ ঋণাত্মক দিশৰ অৱতাৰণাৰে, নৰকৰ ভয়াবহ, বিচিত্ৰ বৰ্ণনাৰে পাঠকক নৈতিকতাৰ শিক্ষা দি জীৱনৰ সকলোবোৰ ধনাত্মক দিশৰ প্ৰতি সজাগ কৰি তুলিছে। 'নাৰায়ণ' সঠিক সময়ত এটা মাত্ৰ শুদ্ধ উচ্চাৰণ - তাৰেই পৰিণতিত যমদূতৰ হাতৰ পৰা গৈ অজামিল স্বৰ্গগামী হ'ল। শত সহস্ৰ ভুলৰ বিপৰীতে এটা শুদ্ধই মানুহক কি পৰিণতিলৈ লৈ যাব পাৰে তাৰে উদাহৰণ হ'ল *অজামিল উপাখ্যান*ৰ অজামিল চৰিত্ৰটো।

**অমৃত মথন কাব্য ঃ** "শঙ্কৰদেৱৰ চতুৰ্থখন কাব্য 'অমৃত মথন' ভাগৱতৰ (৮/৫/১১ ৰ পৰা ৮/১২/৪৭ লৈ) 'অমৃত মথন - কথাসাৰ' স্বৰূপ।"[২৪] মূল কাহিনীত বিশেষ পৰিৱৰ্তন নঘটাই নিজৰ উদ্দেশ্যৰ অনুকূলে কাহিনীত সংযোজনহে কৰিছে। ৬৪০ টা পদৰ সমষ্টি এই কাব্যখনত দেৱ-দৈত্যই মিলি ক্ষীৰ সাগৰ মন্থন কৰাৰ উদ্যোগ, মন্দৰ পৰ্বতৰ উত্তোলন, দেৱসৱৰ স্তুতিত সন্তুষ্ট হৈ ভগৱন্তৰ আৱিৰ্ভাৱ, সৃষ্টি ৰক্ষাৰ্থে শিৱৰ কালকূট বিষ ভক্ষণ, পাৰিজাত, কৌস্তুভমনিৰ আৱিৰ্ভাৱ, সাগৰ বক্ষৰ পৰা লক্ষ্মীদেৱীৰ আৱিৰ্ভাৱ, লক্ষ্মীৰ সয়ম্বৰ, লক্ষ্মীৰ দ্বাৰা বিষ্ণুক পতিবৰণ, অমৃতৰ কলহ লৈ ধন্বন্তৰিৰ আৱিৰ্ভাৱ, বিষ্ণুৰ মোহিনী ৰূপেৰে

২৪ শিৱনাথ বৰ্মন (সম্পা.), পূৰ্বোল্লিখিত, পৃ.১৫৪

দৈত্যসৱক ছলনা, দেৱতা-দানৱৰ মাজত যুদ্ধ, বিষ্ণুৰ মোহিনী ৰূপ চাবলৈ শিৱৰ অভিলাস, শিৱৰ বাতুলতা আৰু শেষত বিষ্ণুৰ দ্বাৰা শিৱক সান্ত্বনাৰে কাব্যৰ পৰিসমাপ্তি ঘটিছে।

কাব্যখনত শব্দালংকাৰ, অৰ্থালংকাৰ, জটুৱা ঠাঁচ, ঘৰুৱা-বৰ্ণনা, হাস্য বীৰ কৰুণ ৰসৰ প্ৰকাশে শঙ্কৰদেৱৰ কবিত্ব প্ৰতিভাৰ স্বাক্ষৰ বহন কৰে। কাব্যখন সাতশ আঠত্ৰিশটা পদৰে ৰচিত হৈছে।

**বলি ছলন ঃ** "শঙ্কৰ কবিৰ আগৰ কেইখন কাব্যতকৈ কাব্যিক সুষমা বৃদ্ধি পোৱা বলি ছলন কাব্যত ভাষা আৰু অলংকাৰৰ প্ৰয়োগত কবিজনাৰ উপলব্ধিৰ গভীৰতা পদে পদে অনুভূত হয়।"[২৫] বলিৰ দ্বাৰা স্বৰ্গৰাজ্য জয়ৰ বাবে শুক্ৰাচাৰ্যৰ অনুমতি প্ৰাৰ্থনা, বলিৰ স্বৰ্গ যাত্ৰা, অমৰাৱতীৰ বৰ্ণনা, বলিৰ দ্বাৰা স্বৰ্গৰ সিংহাসন আৰোহন, দেৱমাতা অদিতিৰ কাৰুণ্য, অদিতিৰ দ্বাৰা পয়োব্ৰত সম্পাদন, বিষ্ণুৰ আৱিৰ্ভাৱ, বিষ্ণুৰ বামন অৱতাৰ, মাকৰ নিৰ্দেশ অনুসৰি বামনৰ বলিযজ্ঞ অভিমুখে যাত্ৰা, বামনৰ দ্বাৰা বলিক প্ৰশংসা আৰু তিনিপদ ভূমি যাচনা, শুক্ৰাচাৰ্যৰ দ্বাৰা বাধা, প্ৰতিজ্ঞা পূৰণত বলিৰ অচল-অটল অৱস্থা, বামনৰ দ্বাৰা শুক্ৰৰ চকু অন্ধ কৰণ, বলিৰ ভূমিদান, বামনৰ বিৰাট ৰূপ ধাৰণ, বামনৰ বিৰুদ্ধে দৈত্যৰ যুদ্ধ, গৰুড় পক্ষীৰ দ্বাৰা বলিক নাগপাশেৰে বন্ধন, প্ৰাদৰ বিষ্ণুস্তুতি, বিন্ধ্যাৱলীৰ দ্বাৰা বামনৰ স্তুতি, বামনৰ নিৰ্দেশত গৰুড়ৰ দ্বাৰা বলিৰ বন্ধন বিমোচন, বলিৰ সুতল পুৰী যাত্ৰা, বামনৰ স্বৰ্গযাত্ৰা সকলোৰে আনন্দতে বলি ছলন কাব্যৰ সামৰণি ঘটিছে। ছশ যোল্লটা পদত বিন্যস্ত এই কাব্যই শঙ্কৰদেৱৰ কবি প্ৰতিভাৰ চানেকি দাঙি ধৰে।

**কুৰুক্ষেত্ৰ কাব্য ঃ** "সংস্কৃত ভাগৱতৰ (১০/৮২-৮৪ অঃ) তিনিটা অধ্যায়ৰ পৰা বিষয়বস্তু গ্ৰহণ কৰি জীৱনৰ পৰিপক্ক উপলব্ধিৰে সৈতে ভক্ত কবি শঙ্কৰদেৱে ভক্তিৰ আবেগ ঢালি ৰসায়িত কৰা ব্ৰজবাসী আৰু ব্ৰজজনৰ জীৱন কৃষ্ণৰ অন্তিম মিলনৰ চিত্ৰখনিয়েই কাব্যখনৰ সবাতোকৈ গুৰুত্বপূৰ্ণ বিষয়।"[২৬] কুৰুক্ষেত্ৰত গোট খোৱা সকলোৰে মুখত কেৱল কৃষ্ণকথা; দৈৱকী-বসুদেৱ, নন্দ-যশোদা, কুন্তী, বলৰাম, কৃষ্ণৰ অষ্টমহিষীৰ মিলন ঘটিছে এই কুৰুক্ষেত্ৰতে। কৃষ্ণ কথা চৰ্চাৰ বাহিৰে অন্য কোনো ধৰণৰ কথা আলোচিত নোহোৱাৰ সেই সময়ত দ্ৰৌপদীৰ জৰিয়তে কৃষ্ণৰ অষ্টমহিষীৰ সকলোৰে উপস্থিতিতে কৃষ্ণৰ সৈতে বিবাহৰ প্ৰসঙ্গ বৰ্ণনা - অতি আমোদজনক। সেইদৰে নন্দ-বসুদেৱ, দৈৱকী-

---

২৫ কেশদা মহন্ত, *কাব্যতত্ত্বৰ দৃষ্টিৰে শঙ্কৰদেৱৰ কাব্য*, পৃ.৫৪

২৬ কেশদা মহন্ত, পূৰ্বোল্লিখিত, পৃ.৭৮

যশোদাৰ মিলন কাব্যখনৰ অন্য এক সৌন্দৰ্য। তীৰ্থক্ষেত্ৰত কৃষ্ণক দৰ্শনৰ বাবে নাৰদ, বিশ্বামিত্ৰ, অত্ৰি, শতানন্দ, পুলস্ত্য, বশিষ্ঠ, অঙ্গিৰা, গালৱ আদি ঋষি সকল উপস্থিত হওঁতে কৃষ্ণ-বলৰাম, বসুদেৱ সকলোৰে শ্ৰদ্ধা জনায়। কাব্যখনত দৈৱকী পুত্ৰ আনয়ণেৰে কৃষ্ণৰ অসীম শক্তি প্ৰকাশ পাইছে। শেষত নন্দ-যশোদা, বসুদেৱ-দৈৱকী আদিৰ বিদায় ক্ষণ কাৰুণ্যৰে ভৰি পৰা দেখা যায়।

এনেদৰে শঙ্কৰদেৱৰ কাব্যসমূহৰ চমু আলোচনা আগবঢ়াব পাৰি। আৰম্ভণিৰ বিশিষ্টতা, এটা পৰিপূৰ্ণ কাহিনীৰে পূৰ্ণ এই কেইখনকে শঙ্কৰদেৱৰ কাব্য বুলি সকলোৰে মানি লোৱা দেখা যায়।